"শুনিয়োক নৰলোক একচিত্ত মনে। মুক্তিৰ কাৰণ হৰি বিনে নাহি আনে ॥
শিশু মাধৱক তিনি লোকত বিদিত। ভকত জনাৰ নানা ৰূপে সন্নিহিত ॥
এক ৰূপে হৰি ব্ৰহ্মৰূপে অৱতাৰ। চক্ষুৰে দেখিলে সংসাৰত পাই পাৰ ॥
দ্ৰৱ ব্ৰহ্ম গঙ্গাজলে তাত কৰি স্নান। পাপক এৰায়া চলে বৈকুণ্ঠ ভুৱন ॥
আৰো ব্ৰহ্মৰূপ বেদ পুৰাণ ভাৰত। পঢ়িলে শুনিলে থাকে বৈকুণ্ঠ পুৰত ॥
হেন জানি একচিত্তে শুনিয়া ভাৰত। হৰিত ভকতি হৈব অচিৰ কালত ॥
জ্ঞানে বা অজ্ঞানে যত পাপক সঞ্চিয়া। তাক বিনাশিবা যমপুৰক বাঞ্চিয়া ॥
সাত্যকী প্ৰবেশ এহি মানে সমাপতি। হৰিৰ সেৱক কন্দ্ৰ কন্দলী বদতি ॥
মহাভাৰতৰ পদ অতি মনোহৰ। কৰ্ণ ভৰি শুনা আক পাপ যাউক দূৰ ॥"

ইও সম্পূৰ্ণ বৈষ্ণৱ-ভণিতা বুলি কব পাৰি; কিন্তু ইয়াতকৈ সৰহ কোৱা যুক্তিসঙ্গত নহব, কিয়নো কন্দ্ৰ কন্দলীত শৈৱ-শাক্ত ধৰ্মৰ পৰা বৈষ্ণৱ ধৰ্মলৈ পৰিবৰ্ত্তন অহা একেবাৰে অসম্ভৱ নহয়।

## (২) "বৰাহ" বজা শ্ৰীমহামাণিক্যৰ আমোলৰ—মাধৱ কন্দলী

ইংলণ্ডৰ বিশিষ্ট সামাজিক আৰু সাংস্কৃতিক ইতিহাস যেনেকৈ খৃষ্ট ধৰ্ম প্ৰচাৰৰ পৰাই আৰম্ভ হয়, অসমৰো সমাজ আৰু সংস্কৃতিৰ বিশিষ্ট বুৰঞ্জী সেইদৰে শ্ৰীশঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত বৈষ্ণৱ আন্দোলনৰ পৰাই মুকলি হয় বুলিব পাৰি। গৌড়ীয় আৰু কামৰূপীয় বৈষ্ণৱ ধৰ্মৰ তুলনামূলক সমালোচনা কৰোঁতাসকলে দিয়া চৈতন্য-চন্দ্ৰ আৰু শঙ্কৰ-সূৰ্য্যৰ অতি অৰ্থব্যঞ্জক উপমাটিকে ব্যৱহাৰ কৰি কব পাৰি অসমৰ আকাশত শঙ্কৰ-সূৰ্য্যৰ আগমনি জনোৱা যিকেইটা জ্যোতিষ্ক আছিল, মাধৱ কন্দলী নিৰ্বিবাদে সেইসকলৰ মাজৰ পুৰতী ভোটা তৰা। ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ তুলনা আনিবলৈ হলে চতুৰ্দশ শতিকাৰ চছাৰ যেনেকৈ যোড়শ শতিকাৰ শেক্সপীয়েৰৰ উপযুক্ত পথ-প্ৰদৰ্শক, মাধৱ কন্দলীও তেনেকৈয়ে শ্ৰীশঙ্কৰদেৱৰ সুযোগ্য পূৰ্ববৰ্তী; উত্তৰকাণ্ড ৰামায়ণৰ পদ-ভাঙনিত শ্ৰীশঙ্কৰদেৱে লিখিছে—

"পূৰ্ব কবি অপ্ৰমাদী, মাধৱ কন্দলী আদি,
বিৰচিলা পদে ৰাম কথা।"

দুৰ্ভাগ্যক্ৰমে এনে এজন শ্ৰেষ্ঠ পূৰ্ব-শঙ্কৰী কবিৰ সম্পৰ্কে প্ৰায় সকলো কথাই অজ্ঞান আন্ধাৰত ঢাক খোৱা। লঙ্কাকাণ্ডৰ ভাঙনিৰ সামৰণিত কবিয়ে যি

আত্ম-পৰিচয় দিয়া পোৱা হৈছে, তাৰ পৰাই তেওঁৰ যৎকিঞ্চিৎ চিনাকি পোৱা হয় ; কিন্তু সি কোনোমতেই একেবাৰে মুকলি নহয়—

"কবিৰাজ কন্দলী যে, আমাকেসে বুলি কয়,
কৰিলোঁহো সৰ্বজন বোধে।
ৰামায়ণ সুপয়াৰ, শ্ৰীমহা মাণিক্য যে,
বৰাহ ৰাজাৰ অনুবোধে ॥২৩।
সাত (?) কাণ্ড ৰামায়ণ, পদবন্ধে নিবন্ধিলোঁ,
লম্ভা পৰিহৰি সাৰোদ্ধৃত।
মহামাণিক্যৰ বোলে, কাব্য-ৰস কিছু দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত ॥২৪।"

১৮৯৯ ত প্ৰথম ছপা হোৱা মাধৱ ৰবদলৈৰ সম্পাদিত ৰামায়ণত এইদৰে পোৱা হয় ; কিন্তু কুৰি শতিকাৰ তৃতীয় দশকত ছপোৱা হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত "অসমীয়া সাহিত্যৰ চানেকি"ত এই আত্ম-পৰিচয় অস্বাভাৱিকৰূপে পৰিবৰ্তিত আৰু পৰিবৰ্দ্ধিত হৈ এনে বিভিন্ন আকাৰত ছপা হৈছে—

"কবিৰাজ কন্দলী যে, আমাকেসে বুলি কয়,
মাধৱ কন্দলী আৰো নাম।
সপোনে-সচিতে মঞি, জ্ঞান-কায়-বাক্য-মনে,
অহৰ্নিশে চিন্তো ৰাম ৰাম ॥
শ্লোক সংস্কৃতে আমি, গঢ়িবাক পাৰিছয় (?)
কৰিলোঁহো সৰ্বজন বোধে।
ৰামায়ণ সুপয়াৰ, শ্ৰীমহা মাণিক্য যে,
ৰৰাহী ৰাজাৰ অনুবোধে ॥
সাতকাণ্ড ৰামায়ণ, পদবন্ধে নিবন্ধিলোঁ,
লম্ভা পৰিহৰি সাৰোদ্ধৃত।
মহামাণিক্যৰ বোলে, কাব্য-ৰস কিছু দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত ॥"

ওপৰৰ ভণিতাৰ সামৰণিত "মাধৱ কন্দলী গাইলা, শ্ৰীৰামে অযোধ্যা পাইলা, জয় জয় আনন্দ বৰ্ধাই ॥২৮॥" গতিকে "চানেকি"ত "মাধৱ কন্দলী আৰো নাম।"

শ্লোক সংস্কৃতে আমি গঢ়িবাক পাৰিছয়" বোলা খিনিলৈকে অন্যায় প্ৰক্ষিপ্ত আৰু অনন্ত কন্দলীৰ পদাদি বুলি সহজে বুজিব পাৰি।

দ্বিতীয় কথা, শঙ্কৰদেৱ-মাধৱদেৱৰ কালতেই মাধৱ কন্দলীৰ ৰচিত আদিকাণ্ড-উত্তৰাকাণ্ড নিশ্চয় বিচাৰি পোৱা নহৈছিল। কোনোৱে কয় আহোম-কছাৰীৰ যুদ্ধৰ কালত ধ্বংস হল, কোনোৱে কয় জুয়ে পুৰিলে; আৰু কোনোৱে কয় মূল বাল্মীকি ৰামায়ণো আদিতে মাত্ৰৰ পাঁচকাণ্ড ৰামায়ণত সম্পূৰ্ণ থকাৰ দৰে মাধৱ কন্দলীৰ ৰামায়ণো মূলতেই "পঞ্চকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ" আছিল ঃ আৰু লঙ্কাকাণ্ডতে আত্মপৰিচয় দি সামৰণি মৰা কথাই এই তৃতীয় মত সমৰ্থন কৰে। যেনেকৈয়ে হওক শঙ্কৰদেৱ-মাধৱদেৱে মাধৱ কন্দলীৰ ৰচিত কোনো আদিকাণ্ড উত্তৰাকাণ্ড ৰামায়ণ নাপাইহে যে সেই দুমুৰৰ দুই কাণ্ড দুয়ো লিখি সাতকাণ্ড ৰামায়ণ সম্পূৰ্ণ কৰিছিল সি নিশ্চিত। কিন্তু তাৰ পাঁচশ বছৰৰ পাছত এতিয়া কুৰি শতিকাৰ তৃতীয় দশকত "অসমীয়া সাহিত্যৰ চানেকি"ত দিবলৈ হেমচন্দ্ৰ গোস্বামীয়ে মাধৱ কন্দলীৰ উত্তৰাকাণ্ড পালে ক'ৰ পৰা বা? সি যে 'জাল্' ৰচনা নহয় তাক বুজিলে কেনেকৈ? আচৰিত, কোৱা হয় কামৰূপ অনুসন্ধান সমিতিত মাধৱ কন্দলীৰ উত্তৰাকাণ্ড এতিয়া ওলাল, আৰু সেইদৰে আগতে কৈ অহা অজ্ঞাত কবিৰ "লৱ-কুশৰ যুদ্ধ" পুথিৰ আগছোৱাত 'নতুন সাঁচিপতীয়া' পুথিত "হৰিবৰ" নাম জ্ঞাত হল!! ভৱিষ্যত গৱেষণাকাৰীৰ বাবে এইবোৰ চিন্তাৰ বিষয় হোৱা উচিত।

মাধৱ কন্দলীৰ পাঁচকাণ্ড ৰামায়ণৰ ভিতৰৰ বৈষ্ণৱ ভণিতা মাধৱদেৱৰ বুলি কথা-গুৰুচৰিতৰ স্পষ্ট প্ৰমাণ আগতে দি অহা হৈছে। তদুপৰি মাধৱ কন্দলীৰ পাঁচকাণ্ড ৰামায়ণ থকাতো বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে সেই পাঁচকাণ্ড ৰামায়ণকে পুনৰ কিয় ৰচনা কৰিব লগা হল, তাৰ "কৈফিয়ৎ" অনন্ত কন্দলীয়েই অতি সন্তোষজনকভাৱে অযোধ্যা কাণ্ডত (১৩।১৪) দি গৈছে—

> মাধৱ কন্দলী বিৰচিলা ৰামায়ণ। তাক শুনি আমাৰ আকুল কৰে মন ॥
> ৰামৰ সামান্য সন্তকথা যথাৱত। ভজনীয় গুণ যত নভৈল বেকত ॥
> এতেকে যতন কৰোঁ ভকতিৰ পদে। দুৰ্বুলিবা নিন্দা সদা শুনা সভাসদে ॥

গতিকে "অসমীয়া সাহিত্যৰ চানেকি"ৰ বিকৃত আত্মপৰিচয়ৰ প্ৰক্ষিপ্ত ৰচনত মাধৱ কন্দলীক "সপোনে সচিতে মঞি, জ্ঞানে কায় বাক্য-মনে, অহৰ্নিশে চিন্তো ৰাম ৰাম" বোলাবলৈ যোৱা অপচেষ্টা নিশ্চয় বাজী।

শ্ৰীশঙ্কৰদেৱৰ "উত্তৰকাণ্ড"ৰ আত্মপৰিচয়-প্ৰসঙ্গত থকা মাধৱ কন্দলীৰ উল্লেখে নিশ্চয় এওঁক শঙ্কৰদেৱৰ পূৰ্ববৰ্তী কবি বুলি প্ৰমাণ কৰে; কিন্তু মাধৱ কন্দলীৰ পৃষ্ঠপোষক "বৰাহ" ৰজা শ্ৰীমহামাণিক্যৰ কাল কিয়, বংশই ভালদৰে নিৰূপিত নহলে মাধৱ কন্দলীৰ স্থান-কাল আদি সম্পূৰ্ণ সঠিক নহয়। মাধৱ কন্দলী ৰামায়ণৰ প্ৰথম প্ৰকাশক মাধৱচন্দ্ৰ বৰদলৈয়ে সেই ৰামায়ণৰ পাতনিত ১৮৯৯ত জয়ে জয়ে এই কথাৰ বিচাৰ কৰে, আৰু দ্বাদশ আৰু চতুৰ্দশ শতিকাৰ ভিতৰত কছাৰী ৰজাসকলেই "বৰাহী" নাম লৈ জয়ন্তপুৰলৈকে ৰাজত্ব কৰিছিল আৰু নগাঁৱৰ আলিপুখুৰীও সেই ৰাজ্যৰ ভিতৰত সোমাইছিল বাবে চতুৰ্দশ শতিকাত আলিপুখুৰীত মাধৱ কন্দলী জন্মিছিল বুলি স্থিৰ কৰে। হেমচন্দ্ৰ গোস্বামীয়ে অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে বৰ্ত্তমান প্ৰকাশ কৰা কছাৰী বুৰঞ্জীৰ ওপৰত ভিৰ দি বিচাৰপতি ফাৰ অৰ্দ্ধতন তৃতীয় কছাৰী ৰজাজনকে শ্ৰীমহামাণিক্য বুলিছে। সেইটৰ মতে ১২২৮ত চুকাফাই পাটকাই পৰ্বতেদি অসম সোমাই সেই পূৱ প্ৰান্তৰ মৰাণ ৰজা বদৌছা আৰু বৰাহী ৰজা থাকুম ফাৰে মিতিৰালি কৰি তেওঁলোকক বৰাহ মৰাণ আৰু বৰাহী ৰাজ্য অধিকাৰ কৰে। বিচাৰপতি ফাৰ পৰা অৰ্দ্ধতন সপ্তমজন ৰজা দেৎছা বা দোৎছোং ফা; আৰু আহোমৰ দিহিঙীয়া ৰজা চুহমুঙৰ মৰঙিত হোৱা যুদ্ধৰ ফলত কছাৰীবিলাকক খাছপুৰলৈ খেদি কাজলী-মুখলৈকে আহোমে ৰাজ্য বহলায় বুলি সেইটো কয়। কিন্তু এই বৰাহী জাতিৰ কোনো মহামাণিক্য ৰজাৰ নাম পোৱা নহয়।

বিচাৰপতি ফাৰ পাছত মহামাণিক্য ফাৰ পিতাক বিক্ৰমাদিত্য ফা ৰজা হৈ মিকিৰ পৰ্বতত বাণপুৰ আৰু সোণাপুৰ নামে দুখন নগৰ পাতি ওচৰতে এহেজাৰ হাত দীঘল আৰু চাৰি শত হাত বহল এটা পুখুৰী খনায়। মহামণি ফাৰ পাছত মাণিক্য ফা, লৰ ফা, খোৰা ফা আৰু দেৎছোং ফা আদি ৰজা হয়। চুহুঙ্মুং বা দিহিঙীয়া ৰজা পাটত উঠা কাল সম্পৰ্কে নানা মুনিৰ নানা মত; কোনোৱে কয় ১৪০৮, কোনোৱে কয় ১৪৯৭ আৰু কোনোৱে ১৫০৪ বোলে। দেৎছা বা দেৎছোং ফাৰ ১৫৩৬ ত মৃত্যু হয় আৰু মহামাণিফা বা মহামাণিক্য তেওঁৰ পৰা উৰ্দ্ধতন পঞ্চম পুৰুষ; গতিকে এই পাঁচ পুৰুষৰ বাবে দেড়শত বছৰ এৰিলে মহামাণিক্য তথা মাধৱ কন্দলীৰ কাল চতুৰ্দশ শতাব্দীৰ আগছোৱা পোৱা হয়।

পাছে এই বিচাৰতো আসোৱাহ নোলোৱা নহয়; পোনতে, কি শিলালিপি, কি তামৰ ফলি বা আন লিপি, সকলোতে এই কছাৰী বা বড়ো ৰজাসকলে

নজক হয় হেড়ম্বেশ্বৰ নতুবা হৈড়ম্বাধিপ বা হেড়ম্বপতি বুলিছে ; কিন্তু ক'তো "বৰাহী" বুলি নিজক কোৱা নাই। ইহাতে কামৰূপৰ শেষৰ দুজন পাল ৰজা ইন্দ্রপাল আৰু ধৰ্মপালৰ তামৰ ফলিত তেওঁলোকে নিজক "বাৰাহ" বুলি চিনাকি দিছে, আৰু কপিলী উপত্যকালৈকে এওঁলোকৰ ৰাজ্য বিস্তৃত আছিল। গতিকে এই বংশৰ কোনোবা এজনক সেই "বৰাহী" ৰজা বুলিলে মাধৱ কন্দলীৰ কাল দুশ বছৰমান উজাই আহে। এওঁলোকৰ মতে সেইদেখি "বাৰাহ"ৰ ঠাইত "বৰাহ" কৰা, আৰু সেইদৰে মহামাণিক্য আৰু মাণিক্য স্বৰূপতে মহামাণিক্য আৰু মাণিক্যৰ ঠাইত লিপিকাৰৰ প্ৰমাদ ; কিন্তু বিচাৰপতি ফা আদিত "ফা" শব্দই যেতিয়া ৰজা বুজায়, তেতিয়া 'ৰজা মাণিক্য' লিখিলেও অলঙ্কাৰ শাস্ত্ৰৰ বাটি নালাগিবনে? তদুপৰি ভূমি (পৃথিৱী) আৰু বৰাহৰ মিলনৰ ফলত জন্ম পোৱা নৰকৰ বংশইহে অকল ভূমিপাল, পাল বা বৰাহ উপাধি দাবী কৰিব পাৰে যদি বোলা হয়, সিও হাকুটি লগোৱা অৰ্থহে হয় ; কিয়নো ভূৰ (পৃথিৱীৰ) একো খণ্ডত ৰাজত্ব কৰা বাবে প্ৰতি ৰজাই ভূপতি, ভূমিপাল, ভূপাল বা পাল, আৰু সৰহ নালাগে স্বৰূইদেনৰ ৰজাসকলেও হেনো নৰক বংশৰ দৰেই পৃথিৱী আৰু বৰাহৰ মিলনৰ পৰা উৎপত্তি পোৱা বুলি দাবী কৰে।

দেবেন্দ্রনাথ বেজবৰুৱাৰ মতে বিজয় মাণিক (১৫৬৪-৮০), ধনমাণিক (১৫৯৬-১৬০৫), যশমাণিক (১৬০৫-২৫) আদি কেইবাজনো জয়ন্তীয়া ৰজা আছিল, মহামাণিক্যও এওঁলোকৰে কোনোবা এজন হব পাৰে ; কিন্তু এই মত বুৰঞ্জীয়ে সমৰ্থন নকৰে, যিহেতুকে পৰ্বতৰায়ৰ (১৫০০-১৬) দৈতেহে শঙ্কৰদেৱৰ জন্মৰ আঠৈ কুৰি বছৰৰ পাছত এই জয়ন্তীয়া বংশৰ উৎপত্তি হয়। কিন্তু ত্ৰিপুৰাৰ ৰজা ৰত্নফাই বোলে (১৩৮২-১৩৮৬) ছুলটান্ টুগ্ৰলখানক এটি বহুমূলীয়া মণি উপাহাৰ দি মাণিক্য উপাধি লৈছিল ; আৰু ৰত্নমাণিক্যৰ পাছত প্ৰতাপমাণিক্য আৰু এওঁৰ ভায়েক মুকুটমাণিক্য যথাক্ৰমে ৰজা হয়। এওঁলোকৰ পাছত মহামাণিক্য (১৩৯৬-১৪০৬ ?—১৪১৩ ?) আৰু তাৰ পাছত এওঁৰ পুতেক ধৰ্মমাণিক্য ত্ৰিপুৰাৰ ৰাজপাটত বহে ; কনকলাল বৰুৱাৰ মতে এই ধৰ্মমাণিক্যৰ আমোলতে শুক্ৰেশ্বৰ আৰু বাণেশ্বৰ নামে দুজন অসমীয়া পণ্ডিতে ত্ৰিপুৰা ৰাজমালা ৰচে আৰু এয়ে হলে এওঁৰ পিতৃয়েক মহামাণিক্যৰ ৰাজত্বতে চতুৰ্দশ শতিকাৰ শেষ ছোৱাত মাধৱ কন্দলীয়ে অসমীয়া ৰামায়ণ ৰচনা কৰা সম্ভৱপৰ।

এতেকে ত্ৰিপুৰাৰ ৰজা মহামাণিক্যকে মাধৱ কন্দলীৰ পৃষ্ঠপোষক আৰু

চতুৰ্দশ শতাব্দীৰ শেষ ছোৱাকে মহামাণিক্য তথা মাধৱ কন্দলীৰ কাল বুলি ঠাৱৰোৱা হয়; তেতিয়া হলে শ্ৰীশঙ্কৰদেৱৰ "উত্তৰাকাণ্ডৰ" পূৰ্ব্বকবি অপ্ৰমাদী, মাধৱ কন্দলী আদি, বিৰচিলা পদে ৰাম কথা" (১৯।৬) আৰু মাধৱদেৱৰ আদিকাণ্ডৰ "ৰামৰ চৰিত্ৰ, ৰিৰচি আছন্ত, মহা মহা কবিজনে" (২৫।১৫) বাক্য সাৰ্থক হয়। বৰ্ত্তমান নগাঁও জিলাৰ সদৰৰ ১২ মাইল দখিণ-পূবে থকা কদলী মৌজাৰ কন্দলী গাঁও বা সেই জিলাৰ আলিপুখুৰী বোলা ঠায়েই তেওঁৰ প্ৰায় তিনিকুৰি বছৰৰ পৰৱৰ্ত্তী শ্ৰীশঙ্কৰদেৱৰ দৰেই মাধৱকন্দলীৰ জন্মস্থান, এই দুই মতৰ পিছৰটিয়েই পুৰণি আৰু এতিয়া অখণ্ডিত। মাধৱ কন্দলীয়ে তথা অনন্ত কন্দলীয়ে তথা বাল্মীকিয়েও পাঁচকাণ্ড ৰামায়ণহে ৰচিছিল বোলা হৈছে; মূল ৰামায়ণৰ পাঁচকাণ্ডত ৰামক আদৰ্শ মানৱৰূপে দেখুওৱা হৈছিল, পাছত তেওঁত ঈশ্বৰত্ব আৰোপিবৰ বাবে আগে-গুৰিয়ে আদিকাণ্ড-উত্তৰাকাণ্ড যে জোৰা দিয়া হৈছে, মূল পাঁচকাণ্ডৰ তুলনাত এই দুই কাণ্ডৰ ভাষাৰ অৰ্বাচীনতাই প্ৰমাণ বুলি প্ৰাচ্য-পাশ্চাত্য অনেক আধুনিক পণ্ডিতে আঙুলিয়াইছে।

"বাল্মীকিগিৰিসম্ভূতা ৰামাম্ভোনিধিসঙ্গতা। শ্ৰীমদ্ৰামায়ণী গঙ্গা পুণাতি ভুবনত্ৰয়ম্॥" ৰামায়ণ-ৰূপিণী গঙ্গা বাল্মীকি-স্বৰূপ পৰ্বতৰ পৰা ওলাই ৰাম-ৰূপ সাগৰত পৰি তিনিও ভুবন পবিত্ৰাণ কৰা কথা সচাঁকৈয়ে নামানি মোৱাৰি। ৰামায়ণ আৰু মহাভাৰতক আকৌ গঙ্গা আৰু সিন্ধুৰ লগতো তুলনা কৰে; এই দুই নৈয়ে যেনেকৈ নানান শাখা-উপশাখাৰে সদৌ আৰ্য্যাবৰ্ত্ত সাৰুৱা কৰিছে, সেই দুই মহাকাব্যয়ো তেনেকৈ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিক চিৰকাল জীপ দি আহিছে। সেইহে প্ৰাচীন কালৰ পৰা বৰ্ত্তমানলৈকে ভাৰতীয় নানা ভাষা কিয়, ভাৰতৰ বাহিৰৰো বিভিন্ন ভাষালৈ ৰামায়ণ অনূদিত হৈছে। কোনোৱে প্ৰায় ২৫০ খৃঃত চীনা ভাষালৈ ৰামায়ণ অনূদিত হৈছিল বুলি কয়; কিন্তু এই কথা ঠাৱৰোৱা হোৱা নাই। ডক্টৰ জুলুছ ব্লকে তিব্বত, ইণ্ডচীন আৰু জাভা দ্বীপৰ ভাষাত কেইবাখনো ৰামায়ণ পঢ়িবলৈ পাইছে বুলি জনাইছে। স্বৰূপতে ৰাম আৰু ৰাৱণ, অযোধ্যা আৰু লঙ্কা, আৰ্য্য আৰু অনাৰ্য্য, সুৰ আৰু অসুৰ, ভিন্ন সভ্যতা আৰু সংস্কৃতিৰ প্ৰতীকৰূপে বৰ্ণোৱা; আৰু সীতাহৰণ উত্তৰ-ভাৰতীয় কৃষি সভ্যতাৰ সিৱলুৰ দ্ৰাবিড় দেশত বিস্তাৰ বুলিও বুজিব পাৰি। বুদ্ধদেৱৰ পৰৱৰ্ত্তী কালত পালি ভাষালৈ, নৱম শতিকাত দ্ৰাবিড়ী তামিল ভাষালৈ, আৰু একাদশ শতিকাত জৈন সাহিত্যলৈ ৰামায়ণ অনূদিত হৈছিল; বাস্তৱতে মূল বাল্মীকি

ৰামায়ণ যিমান পুৰণি হওক, ৫০০ খৃঃ পূৰ্বাব্দতহে ই বৰ্তমান মৌলিক গঢ় পাইছে বুলি পণ্ডিতসকলে স্বীকাৰ কৰে।

ভাৰতীয় প্ৰাদেশিক ভাষাৰ ভিতৰত চতুৰ্দ্দশ শতিকাত ৰচা মাধৱ কন্দলীৰ এই অসমীয়া ৰামায়ণেই আটাইতকৈ পুৰণি বুলি প্ৰমাণিত হয়। "আদিত্যবাৰ শ্ৰীপঞ্চমী পূৰ্ণ মাঘমাস। তথি মধ্যে জন্ম লভিলাম কৃত্তিবাস।" এই উক্তিৰ পৰা ১৪৩২ খৃঃৰ মাঘী সংক্ৰান্তিত কৃত্তিবাসৰ জন্ম বুলি ধৰা হয়; আৰু তুলসীদাসৰ জন্ম ১৫৮৯ খৃঃ, মৃত্যু ১৬৮০, ৰামায়ণ-ৰচনাৰ আৰম্ভকাল ১৬৩১ খৃঃ। এতেকে বঙলা আৰু হিন্দী ৰামায়ণ মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণতকৈ সেই অনুপাতে এশৰ পৰা তিনিশ বছৰমানৰ পিছৰ। প্ৰাচ্যবিদ্যামহাৰ্ণৱ নগেন্দ্ৰনাথৰ "বিশ্বকোষ"ৰ মতে মাৰাথীত ৮, তৈলঙ্গীত ৫, তামিলত ১২, উৎকলত ৬, হিন্দীত ১১, আৰু বঙলাত ২৫ খন স্বকীয়া ৰামায়ণ আছে। অসমীয়াতো সেইদৰে মাধৱ কন্দলী আৰু অনন্ত কন্দলীৰ বাহিৰে গীত-পদ্য-গদ্যত আন কেইবাখনিও ৰামায়ণ আছে; উত্তৰ-বৈষ্ণৱ যুগৰ অনন্ত ঠাকুৰে ৰচা এখন ৰামায়ণত শঙ্কৰদেৱৰ শিশুকালৰ এজন শিক্ষক কলাপচন্দ্ৰ দ্বিজই এখন ৰামায়ণ-চন্দ্ৰিকা লিখিছে বুলিছে; আদিকাণ্ড উত্তৰাকাণ্ডৰ লগতে অযোধ্যা কাণ্ডৰ বাহিৰে কবি দুৰ্গাবৰে ৰচনা কৰা চাৰিকাণ্ড ৰামায়ণ পোৱা হৈছে; বিদ্যা পঞ্চাননৰ পাতালীকাণ্ড ৰামায়ণ আৰু গঙ্গাৰামৰ সীতাৰ বনবাসৰ বাহিৰে ৰঘুনাথৰ গদ্য ৰামায়ণ উল্লেখযোগ্য; এজন অজ্ঞাত অসমীয়া কবিৰ "লৱকুশৰ যুদ্ধ"ও অসমীয়া ৰামায়ণৰ ভিতৰুৱা।

"সাত (?) কাণ্ড ৰামায়ণ, পদবন্ধে নিবন্ধিলোঁ,
লম্ভা পৰিহৰি সাৰোদ্ধৃত।
মহামাণিক্যৰ বোলে, কাব্য-ৰস কিছু দিলোঁ,
দুগ্ধক মথিলে যেন ঘৃত॥
পণ্ডিতলোকৰ যেৱে, অসন্তোষ উপজয়,
হাতযোৰে বোলোঁ শুদ্ধ বাক।
পুস্তক বিচাৰি যেৱে, তৈত কথা নপাৱাহা,
তেৱে সৱে নিন্দিবা আমাক॥ ২৫"

মাধৱ কন্দলীৰ লঙ্কাকাণ্ডৰ এই ভণিতাতে এই ৰামায়ণৰ মৰ্মবাণী সোমাই আছে বুলি বুজিব পাৰি; ই বাল্মীকি ৰামায়ণৰ মূলগত অথচ সংক্ষিপ্ত ভাঙনি,

কেৱল তাত কবিৰ ব্যক্তিগত আৰু জাতিগত প্ৰতিভাৰ ৰেখাপাত হৈছে। কিষ্কিন্ধ্যাকাণ্ডৰ সামৰণিত কবিয়ে আকৌ কৈছে (২৬।৭১-৭৮)—

"এহিমানে কিষ্কিন্ধ্যাৰ ভৈলা সমাপতি। দ্বিজৰাজ মাধৱ কন্দলী নিগদতি ॥
শুনিলাহা সামাজিক ৰামৰ চৰিত্ৰ। নানাৰসে ৰসৱন্ত পৰম পৱিত্ৰ ॥
আৰু শুনি হুয়ো সৱে মনত সন্তোষ ; কিন্তু বঢ়া-টুটা নধৰিবা গুণ-দোষ ॥
বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য-পদ্য ছন্দে। তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে ॥
আপোনাৰ বুদ্ধি অৰ্থ যিমত বুঝিলোঁ। সঙ্ক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ ॥
সমস্ত ৰসক কোনে জানিবাক পাৰে। পক্ষীসৱ উৰই যেন পখা অনুসাৰে ॥
কবিসৱ নিবন্ধয় লোক ব্যৱহাৰে। কতো নিজ কতো লম্ভা কথা অনুসাৰে ॥
দেৱবাণী নুহি ইটো লৌকিকসে কথা। এতেক ইহাৰ দোষ নলৈবা সৰ্ব্বথা ॥"

সুন্দৰাকাণ্ডৰ ভণিতাতো সেই মৰ্ম্মেই কবিয়ে সাযৰিছে (৪১।৮-১২)। অসম্পূৰ্ণ হলেও মাধৱচন্দ্ৰ বৰদলৈৰ প্ৰকাশিত ৰামায়ণৰ আগতে ১৮৯৭ ত বেণুধৰ ৰাজখোৱাৰ পাতনিৰে এখন অসমীয়া ৰামায়ণ গণেশৰাম আগৰৱালাৰ দ্বাৰা প্ৰকাশিত হয়। মাধৱচন্দ্ৰ বৰদলৈ আদিৰ সম্পাদিত ৰামায়ণতো এনেবোৰ বাক্য আধুনিক যেন লাগে; অযোধ্যাকাণ্ডত, "ঘোড়াৰ পিঠিত মই অজয় পাথৰ।" (৭।৬); "অৰি বিমৰ্দ্দন সাক্ষাতে মই যম।" (৭।৭); "সেনাপতি যুথপতি মন্ত্ৰী সন্ধিকৈ।" (২৩।১৪); অৰণ্যকাণ্ডত, "আপোনাৰ প্ৰাণ খালি ৰাখিবাক চাইলি।" (৮।১৫); "টাঙ্গি চুৰি কটাৰি শকতি ধনুশৰ।" (৮।২৯); সুন্দৰাকাণ্ডত, "ৰাজাৰ কুমাৰ অক্ষ যোতয়া পৰিল" (২৪।১৬); "ধৰিব নোৱাৰ যেৱে সমৰত মাৰ" (২৪।২৮) "ডাঙ্গৰ দীঘল আছিলেক কলেৱৰ" (২৭।৪২); লঙ্কাকাণ্ডত, "বাপেকৰ চৰণত বন্দিলা সাদৰে" (২৫।৩৪); "উপায় বোলোহোঁ ঝাণ্টে আনাগৈ ঔষধি।" (২৭।২) ইত্যাদি। কিন্তু ইয়াৰ লগে লগে অনেক শব্দ বা বাক্য প্ৰাচীনগন্ধী যেনো লাগে: অযোধ্যাকাণ্ডত, "উপৰে শকতি ধনু নবাচ কটাৰ।" (১।২০); "মহামহা বীৰৰ হৃদয় কোঞ্চে ফোড়োঁ। খাণ্ডাৰ প্ৰহাৰে আজি ৰিপুশিৰ তোড়োঁ ॥" (৭।৯); "দাৰ সুহায়ন মোৰ নোহে চন্দ্ৰহাস। টোন হাত সুহায়ন নোহে বনবাস ॥" (১০।৫৫), ইত্যাদি। এই দুই বিধৰ উদাহৰণ অলেখ দিবলৈ আছে।

ভাওনি হলেও এই "অপ্ৰমাদী" পূৰ্ব্বকবিৰ ৰচনাত তেওঁৰ ব্যক্তিগত আৰু জাতিগত প্ৰতিভা একেলগে কিদৰে প্ৰস্ফুটিত হৈছে, তাক অকল অযোধ্যাকাণ্ডৰ

বৰ্ণনাৰ পৰাই বুজিব পাৰি। ধনুৰ্ভঙ্গ কৰি ৰাম-লক্ষ্মণে যেতিয়া সীতাৰ সৈতে অযোধ্যা প্ৰবেশ-কৰে—

"চন্দ্ৰৰ উদয়ে যেন কুমুদ প্ৰকাশ। ৰামক দেখিয়া সৰ্ব্বজনৰ উল্লাস॥
ৰাজ্যৰ পাতন যেন স্বৰ্গৰ ভুবন। সুপক্ক কদলী কইল বাহিৰে তোৰণ॥
ৰাম সীতা আগমন দেখি সৰ্ব্বলোকে। থানে থানে উৰুলি পাৰয় ঝোকে ঝোকে॥
থাপিলন্ত গৃহৰ সুৱৰ্ণময় ঘট। কন্যাসৱে পাৰিল বাটত নেতপট॥
হাসো হাসো কৰে পুৰী অযোধ্যা সম্প্ৰতি। নৃত্যগীত বাদ্যে যেন দেখি অম্ৰাৱতী॥"

এইদৰেই সুন্দৰাকাণ্ডত লঙ্কাৰ বৰ্ণনাতো এই পূৰ্ব্বকবিয়ে যথেষ্ট নিপুণতা দেখাইছে,—

"লঙ্কাপুৰী দেখিলন্ত ত্ৰিকূট উপৰে। দুতী অম্ৰাৱতী যেন সমুদ্ৰ ভিতৰে।
বাৰয় বসন্তে অনুকূলে বহে বায়। ষড় ঋতু নছাড়য় কোকিলৰ ৰায়॥
ঠায়ে ঠায়ে দেখন্ত ৰাক্ষসে পঢ়ে বেদ। শাস্ত্ৰসৱ পঢ়ন্ত শুনন্ত অবিচ্ছেদ॥
সুৱৰ্ণৰ হংস লড়ু অলি চক্ৰবাক। সুৱৰ্ণৰ শৰালি উড়য় জাকে জাক॥
সুৱৰ্ণৰ ময়না ভাটৌ চুটিয়া শালিক। সুৱৰ্ণৰ কপৱতি ফিঙ্গা পুণ্ডৰীক॥
ৰঙ্গথানে কৌতূহলে ৰাক্ষস মিলিলা। কৌতূহলে খেলাৱয় সুৱৰ্ণৰ ঘিলা॥"

সেইদৰেই অযোধ্যকাণ্ডত চিত্ৰকূটত ৰাম-সীতাৰ মনোভাব বৰ্ণনা—

"বসন্ত সময়ে কাম ৰাজাৰ পয়ান। পুষ্পৰ ধনুত আৰোহিয়া পঞ্চবাণ॥…
সেনাপতি লবি ভৈল মলয়ৰ বায়। মহা বীৰনাদ ভৈল কোকিলৰ ৰায়॥…
পক্ষীগণ বায়ে যেন বায়ে বাদ্যভণ্ড। নাগেশ্বৰ ফুল কাম নৃপতিৰ দণ্ড॥…
কোকিল ভ্ৰমৰ পক্ষী ময়ূৰৰ ৰায়ে। কাম-ব্যাধি পীড়িয়া নসহে মোৰ গায়ে॥
মন্দাকিনী নদীতু দেখিয়া পক্ষীগণ। সীতাক সম্বুধি ৰামে বুলিলা বচন॥
ৰাজহংস দেখা সীতা তোমাৰ গমন। চক্ৰবাক যুগল তোমাৰ দুই তন॥…
জনকৰ জীয় দেখ নদী মন্দাকিনী। তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী॥…
চিত্ৰকূট পৰ্ব্বতক দেখিয়োক সীতা। পকা আমে গৌৰবৰ্ণ কৰিল চৌভিতা॥
ওপৰত মেঘ যেন দেখিয় শোভন। বাঢ়িল নিকলি যেন পৃথিবীৰ তন॥
শিখৰী ওপৰে মন্দাকিনী শুক্লজল। তনক ঢাকিয়া যেন বস্ত্ৰৰ অঞ্চল॥"

এই শেষৰ কেশাৰীৰ লগত কালিদাসৰ পূৰ্ব্বমেঘৰ অষ্টাদশ শ্লোক তুলনীয়—

"ছন্নোপান্তঃপৰিণত ফলদ্যোতিভিঃ কাননাম্ৰৈ
স্বয্যাৰূঢ়ে শিখৰমচলঃ স্নিগ্ধবেণীসবৰ্ণে।

নূনং যাস্যত্যমৰমিথুন-প্ৰেক্ষণীয়ামৱস্থাং
মধ্যে শ্যামঃ স্তন ইব ভুবঃ শেষবিস্তাৰপাণ্ডুঃ ॥"

তিকতাৰ ৰূপ-বৰ্ণনাত মাধৱ কন্দলীৰ নৈপুণ্য-প্ৰকাশো বিশেষ মন কৰিব লগীয়া। অযোধ্যাকাণ্ডত সীতাৰ ৰূপ-বৰ্ণনাটি শঙ্কৰদেৱৰ ৰাম-বিজয় নাটত সীতাৰে আৰু ৰুক্মিণীহৰণ কাব্য আৰু নাটৰ বৰ্ণনাত ৰুক্মিণীৰে তুলনীয় ঃ—

"ভ্ৰূৱযুগ ধনুত কটাক্ষ যেন শৰ। চমকিয়া ৰাহু গৈল গগন ওপৰ ॥
নীলোৎপল দল সম নয়ন যুগল। দেখি মুনিগণ হোৱে মোহিত সকল ॥
নাসা ভৈল তিল ফুল বন্দুলি অধৰ। মুকুতা পংকতি দন্তপান্তি মনোহৰ ॥
মনোহৰ অধিক অধিক বিম্বফল। তিনি ৰেখা সমুজ্জ্বল সুশোভিত গল ॥
বাহু দুইখানি তোৰ মৃণালত সৰি। উদৰত ত্ৰিবলি কামৰ সাতসৰি ॥
হৰকোপ-বহ্নি পীড়ে খুজি নাপাই জুৰ। নাভি-সৰোবৰে কামদেৱে দিল বুৰ ॥
নিজ পুৰ পশি কামে মুদিল দুৱাৰ। উদৰৰ লোম পান্তি ধূম ভৈল তাৰ ॥
ডম্বৰুৰ মধ্যদেশ সদৃশ কঙ্কাল। কাঞ্চিয়ে ৰঞ্জিত অতি নিতম্ব বিশাল ॥
অমৃতৰ কূপ সম মন্মথৰ পুৰ। সৰস জঘন তোৰ প্ৰকাশে প্ৰচুৰ ॥
সুকুমাৰ উৰু ৰাম-কদলীৰ সম। জঙ্ঘা দুইৰ কান্তি আতি দেখি মনোৰম ॥
সুগুপুত গ্ৰন্থি আতি ৰঙ্গা দুই পাৱ। নৱ কিশলয় দল সদৃশ স্বভাৱ ॥"

স্ত্ৰী-চৰিত্ৰ আৰু তিকতাৰ ভিতৰ-জগতৰ কথা সীতাৰ এফাকি কথাত মাত্ৰ ব্যক্ত হৈছে ৰামে সীতাক এৰি বনলৈ যাব খোজাত—

"চম্পক কলিকা যেন মোৰ কলেৱৰ। লুণ্ডি-ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ ॥
যেৱে আসি বিকশিত হৈল ফুল-ফল। উপভোগ এৰি কেন কৰাহা নিষ্ফল ॥"

সৰহ নালাগে, সীতাহৰণৰ পূৰ্ব-মুহূৰ্তত ৰাৱণৰ মুখত অৰণ্যকাণ্ডত সীতাৰ ৰূপৰ যি বৰ্ণনা দিয়া হৈছে, সিও শ্ৰীশঙ্কৰদেৱৰ সুযোগ্য পূৰ্বকবিৰ উপযুক্ত প্ৰাচীন বৰ্ণনা—

"তোহোৰ বদন পূৰ্ণচন্দ্ৰৰ উদয়। চামৰক জিনিয়া প্ৰকাশৈ কেশচয় ॥
ভ্ৰূৱ যুগ জ্বলৈ যেন চাপ মদনৰ। মনোহৰ কটাক্ষ কামৰ পঞ্চশৰ ॥
কুণ্ডল লৰয় দেখি মিলিল তৰাস। তোৰ মুখ দেখি ৰাহু গৈল সমীপাশ ॥
যুৱত মোহন কিনো অধৰৰ কান্তি। সুপক্ক দাড়িম বীজ দশনৰ পান্তি ॥
বদন উপৰে দুই নয়ন জ্বলয়। খঞ্জন যুগল যেন কমলে চৰয় ॥
ললিত বলিত নিৰন্তৰ তন-ভাৰ। উপৰত পৰি জ্বলৈ গজমতি হাৰ ॥

গগনত যেন চন্দ্ৰ-ৰেখা দ্বিতীয়াৰ। আতিশয় বৰ্তুল গলয় বৃত্ত তাৰ ॥
ৰাতুল কমল যেন পদতল তোৰ। বলিত অঙ্গুলী যেন চম্পকৰ কোৰ ॥
ত্ৰিবলিত উদাৰ কঙ্কাল আতি সৰু। সাক্ষাত দেখিয়া যেন হৰৰ ডম্বৰু ॥
স্তুবলিত বাহু পীন নিতম্ব জঘন। ৰাতুল চৰণ যুগে মোহে মুনিগণ ॥
দেখি তোৰ লীলাগতি আতি বৰ লাজ্জে। মত্ত গজ গুচি গৈল সৰোবৰ মাঝে ॥
মণ্ডকাঞ্চি কঙ্কণ নূপুৰ কণঝুণ। জলে পশি থাকিল সকলে হংসগণ ॥
তোৰ ৰূপে অলঙ্কাৰ শোভে আতিশয়। কমল প্ৰকাশে যেন ৰবিৰ উদয় ॥
জগতৰ ৰূপ-গুণ একত্ৰ কৰিল। অনেক প্ৰবন্ধে তোক বিধিয়ে গঢ়িল ॥"

এই অৰণ্যকাণ্ডৰে প্ৰথম অধ্যায়ত উৰ্ম্মিলাৰ বৰ্ণনাও অতি মনোৰম—

"আপোনাৰ জীউ আছে জনক ৰাজাৰ। কনিষ্ঠা উৰ্ম্মিলা নামে বহিনী আমাৰ ॥
ত্ৰৈলোক্য মোহিনী কন্যা মহা ৰূপৱতী। সুন্দৰ নাসিকা দন্ত মুকুতাৰ পান্তি ॥
মৃণাল যুগল বাহু কৃশ মধ্য দেশ। কমল-নয়নী আতি আকুঞ্চিত কেশ ॥
বন্ধুলিকো জিনিয়া অধৰ কচিকৰ। পূৰ্ণচন্দ্ৰ জিনি মুখ পদ্ম সমসৰ ॥
কৰ্ণত কুণ্ডল কম্বুকণ্ঠ মনোহৰ। উন্নত কঠিন স্তন ত্ৰিবলি উদৰ ॥
গলে গজমুক্তা শোভে সাতসৰি হাৰ। বাহুত কঙ্কণ টাড় বলয়া সোণাৰ ॥
ৰত্নৰ শলকা সম আঙ্গুলিৰ পান্তি। আঙ্গুঠি উজ্জ্বল নখ-চন্দ্ৰে কৰে কান্তি ॥
জঙ্ঘা মনোহৰ উৰু যেন ৰাম্ভকল। ৰত্নৰ নূপুৰে শোভে চৰণ যুগল ॥
চম্পাৰ পাকৰি সম আঙ্গুলিৰ পান্তি। উজটী উজ্জ্বল নখ মণি কৰে কান্তি ॥
আৱকত পদহস্তে প্ৰকাশে কমলে। শৰীৰৰ কান্তিএ চন্দ্ৰতো কৰি মলে ॥
চন্দ্ৰকলা সম বাঢ়ে গজেন্দ্ৰ গমন। লক্ষ্মীসম ৰূপে-গুণে মোহে মুনিগণ ॥"

মনস্তত্ত্বমূলক বৰ্ণনাতো মাধৱ কন্দলী সিদ্ধহস্ত আছিল। অযোধ্যাকাণ্ডত ৰাম-দশৰথৰ পৰস্পৰ ওপৰা-উপৰি কথাৰ বৰ্ণনা—

"সুমন্ত্ৰ মন্ত্ৰীক, বুলিলন্ত ৰামে, 'শীঘ্ৰে ৰথখান ডাক।'
'শুনৰে সুমন্ত্ৰ, নাডাকিবি ৰথ' দশৰথে দেন্ত হাক ॥
'নথা, থাক থাক', 'ডাক ডাক ডাক', উথলিল দুই বোল।
সুমন্ত্ৰ মন্ত্ৰীৰ, মন দোধা ভৈল, কৰয় চিত্ত আন্দোল ॥"

এই একেদৰেই বিভৎস বা হাস্যৰসৰ অৱতাৰণাতো মাধৱ কন্দলী হীন নাছিল, সুন্দৰাকাণ্ডৰ ৮ম-৯ম অধ্যায়ত দিয়া ৰাক্ষসৰ বৰ্ণনা :—

"হাণ্ডি চিঙ্গালিৰ বৰ্ণ বিহাড়া লোগড়া। বিকৃত খণ্ডুকা নালি গণ্ডা কুজা খোৰা ॥

অন্ধলাৰ কান্ধত পেঙ্গুৰা যাই চড়ি। পেঙ্গুৰাৰ উদ্দেশে অন্ধলা কাঢ়ে ভৰি ॥
কতো কুজা কতো খোৰা কতো গোট কলা।
কতোহো নাৰঙ্গা সোভা কুণ্ডলীয়া শোলা ॥
চালিয়া বিলুনিয়া পিহুঁয়া কতো গোধা।
গলগুীয়া কতোহো স্থুনিয়া জোলা জোধা ॥"

সুন্দৰাকাণ্ডৰ চতুৰ্দশ অধ্যায়তে ৰাক্ষসিনীৰ বৰ্ণনাও হাঁহি-উঠা—

"শিংশপা বৃক্ষক দেখিলন্ত কতোক্ষণে। গুৰি গোট বেঢ়ি আছে ৰাক্ষসিনীগণে ॥
বিকৃত বিভাস কতো পেচাৰ স্বভাৱ। ভেঙ্গুৰা স্বভাৱ কতো দেখিতে কুভাৱ ॥
কতো উৰ্দ্ধ নাসিকা হস্তীৰ যেন শুণ্ড। গাৱ গোট কৃশ দেখি টোলৰিয়া মুণ্ড ॥
কতো নাক চেপেটা পতিলা গোটমান। গাৱত পৰয় হালি কুলা হেন কাণ ॥
অজমুখী গোমুখী শূকৰ স্বানমুখী। গোলৈ-পেটী উক হাতে নপাৱয় ঢুকি ॥
বিহৰিয়া আছয় হস্তীৰ যেন দান্ত। ছাগলৰ হেন মুখ সিংহৰ আক্ৰান্ত ॥
কেহোঁজনীৰ মুণ্ড কেশাইল যেন দল। দুই তন লম্বিত সাক্ষাতে যেন ঢোল ॥...
কতো কাণী কতো খুৰী কতোহো গলণ্ডী। কনৈয়াৰী গঞ্জকাৰী প্ৰচণ্ডী চামুণ্ডী ॥
আগ-গুৰি সৰু যেন শিলিখাৰ ভাঞ্জ। হাসন্তে দেখিয় যেন দশনৰ মাঞ্জ ॥
আলখনী পিশাচনী কুলক্ষণী ছাৰী। একৈক শোষতে পীয়ে মগ্ধ একো জাৰি ॥
এক পাৱ দুই পাৱ তিনি পাৱ চাৰি। জিহ্বাখন মেলি থাকে শৰীৰ আৱৰি ॥
এক আখি দুই আখি কাৰো তিনি আখি। দুই কাণ হালৈ যেন চটকৰ পাখি ॥"

মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ লগত কৃত্তিবাসৰ বঙলা ৰামায়ণক কোনো কোনোৱে তুলনা কৰিব খোজে, কিন্তু সি যেনে অন্যায় তেনে অৱান্তৰ আৰু অপ্ৰাসঙ্গিক; কিয়নো বঙলা ৰামায়ণ সংস্কৃতৰ ভাঙনি নহয়, আনৰ মুখে বাল্মীকি ৰামায়ণৰ অৰ্থ শুনি স্বাভাৱিক কবিত্বৰশতঃ কৃত্তিবাসে তাক বঙলা পদত গায়। মাধৱ কন্দলী পণ্ডিত কবি আছিল, গতিকে তেওঁ "পুস্তক বিচাৰি যেৱে, তৈত কথা নপাৱাহা, তেৱে সৱে নিন্দিবা আমাক" বুলি বুকু ডাঠি আহ্বান জনাব পাৰিছিল; কৃত্তিবাস কথক বা গায়ক কবি আছিল, এতেকে সংস্কৃত ৰামায়ণৰ অৰ্থ শুনি মনত থকা আৰু মনে গঢ়া কথাৰে ৰামায়ণ-কাহিনী গাইছিল গুণেই তাত বাল্মীকিৰ লগত মিলা-নিমিলা নানা কথা ওলায়। গোবৰৰ ভেৰৰ লাইৰ দৰে প্ৰেম-প্ৰৱণ বঙালী কবিৰ কল্পনা-বিলাসিতাত পৰি কৌশল্যাৰ কোলাত বহি থকা ৰামচন্দ্ৰ—

"পৰম বৈষ্ণৱ তাৰা ভাই দুইজন। চতুৰ্ভুজ ৰূপ দেখিলেক নাৰায়ণ ॥
শঙ্খ চক্ৰ গদা পদ্ম চতুৰ্ভুজ কলা। কিৰীটি কুণ্ডল গলে হৃদে বনমালা ॥"

কিন্তু বাল্মীকিৰ তথা মাধৱ কন্দলীৰ ৰামচন্দ্ৰ সদায় এজন আদৰ্শ পুৰুষ, মহামানৱ। অযোধ্যা কাণ্ডত ভৰতে যেতিয়া পালি-পহৰীয়া লৈ ৰামক বনৰ পৰা ওলটাই আনিবলৈ আৰু লাগিলে ৰামৰ সলনি নিজে পিতৃবাক্য পালি বনবাস খাটিবলৈ গৈছে, তেতিয়াও ৰামৰ উত্তৰত তেওঁৰ সেই আদৰ্শ চৰিত্ৰই ফুটি ওলাইছে—

"সৰাকো বোলন্ত ৰামে কৰি দৃঢ় মন। সৱে লোকে মোক গ্ৰহ কৰা কি কাৰণ ॥
জলৰ বুদ্বুদ যেন অথিৰ জীৱন। আমি কেনে এৰিবোহো বাপৰ বচন ॥...
ৰৱিৰেণ জল যেন শোষে ৰৱিজালে। সংহৰয় সৰাকো দুৰ্ব্বাৰ যমকালে ॥
পূৰ্ণ চন্দ্ৰমাৰ কান্তি হৰয় সকল। যেৱে শুকাই পৰে সাত সাগৰৰ জল ॥
পাতাল পৰ্য্যন্ত খতো পৃথিৱী নসয়। মেৰু মন্দৰক আদি পৰ্ব্বত খসয় ॥
সূৰ্য্য আদি গ্ৰহ খসি ভূমিত পৰিব। তথাপিতো আমি পিতৃবাক্যক লেখিব ॥
প্ৰাণৰ সংশয় যেৱে মিলয় আমাৰ। তথাপিতো নথাইবে মোহোৰ অঙ্গীকাৰ ॥"

কৃত্তিবাসৰ সীতাও ভীতা, অবলা; কিন্তু বাল্মীকিৰ, তথা মাধৱ কন্দলীৰ, সীতা আদৰ্শ শক্তিৰূপা, বীৰাঙ্গনা। সীতাহৰণৰ সময়ত যি ৰাৱণক দেখি—"তমুগ্ৰং পাপকৰ্মাণং জনস্থানগতা দ্ৰুমাঃ। সংদৃশ্য ন প্ৰকম্পন্তে ন প্ৰবাতি স মাৰুতঃ॥ শীঘ্ৰস্ৰোতাশ্চ তং দৃষ্ট্বা বীক্ষন্তং ৰক্তলোচনম্। স্তিমিতং গন্তুমাৰেভে ভয়াদ্ গোদাৱৰী নদী ॥" সেই ৰাৱণে হাৰিত অকলে পাই হৰণ কৰিব খোজাত তেওঁক মাধৱ কন্দলীৰ সীতাই কি নিৰ্ভীক উত্তৰ দিছিল—

"দাৰুণ বচন শুনি সীতা কুপিলন্ত। নিষ্ঠুৰ বচন তাক বুলিবে লৈলন্ত ॥
হাওৰে ৰাৱণ বৰ্ব্বৰ নিশাচৰ। অবিলম্বে যাইবাৰ চাহ যম-ঘৰ ॥
ৰামৰ ঘৰিণী মোক ভজিবাক চাস। মৰিবাক লাগি কালকূট বিষ খাস ॥
ত্ৰিশূলৰ ওপৰত নাচিবাক চাস। মহাপাপী হুয়া তই স্বৰ্গে কৰ আশ ॥
হুয়া জুই আঙনী চন্দ্ৰক ধাৰ দেস। জ্বলন্ত অগ্নিক বেটা বস্ত্ৰে বান্ধি নেস ॥
তিখাৰ খাণ্ডাত জিহ্বা ঘষিবাক চাস। বহ্নিকুণ্ড মাজে যেন পতঙ্গৰ ঝাস ॥
ৰামৰ ভাৰ্য্যাক নীচ ৰাক্ষসে বাঞ্ছস। সূচিৰ মুখত দিয়া নয়ন আস্তস ॥
গলে শিলা বান্ধি এই তৰ সমুদ্ৰক। ক্ষুদ্ৰ পক্ষী হুয়া ধাৰ দেহ গৰুড়ক ॥
বেঙ্গ হুয়া তেৰক্তৰ আগত মিলস। এণি সাপ হুয়া তই পৰ্ব্বত গিলস ॥
বিৰাল বাঘিনী সমে কৰ পৰিহাস। পৃথিৱীৰ অন্ত আদিত্যৰ ধাৰে যাস ॥

সিংহৰ ভাৰ্য্যাক শৃগালৰ অভিলাষ। শাস্তী সীতা মোক তই ভজিবাক চাস ॥
সুখৰ ভিতৰে তোৰ মতি ভৈল মন্দ। অবিলম্বে ৰামৱে ছেদিব দশ স্কন্ধ ॥
গৰুড়ৰে কাকৰে যেহেন পটন্তৰ। শিয়াল সিংহৰ হোৱে যেহেন অন্তৰ ॥
গিৰি-নদী সমুদ্ৰে অন্তৰ হোৱে যত। ৰাম দেৱে তোহোৰ দেখয় সেহি মত ॥
স্বপ্নে-জ্ঞানে মনে ৰামব্ৰত দৃঢ় কায়া। চৰণে নুছুইবোঁ পৰ পুৰুষৰ ছাঁয়া ॥"

মুঠতে কৃত্তিবাসৰ ৰাম-সীতা বঙালীৰ ; আৰু মাধৱ কন্দলীৰ, তথা বাল্মীকিৰ, ৰাম-সীতা অসমীয়াৰ, তথা ভাৰতীয়ৰ, আদৰ্শ নৰ-নাৰী, তথা দেৱ-দেৱী। দুৰ্ভাগ্যক্ৰমে, কৃত্তিবাসী ৰামায়ণ অসমত কিছুকাল প্ৰচলিত থকা বাবে বাল্মীকি ৰামায়ণত নোহোৱা শ্ৰীৰামচন্দ্ৰৰ দুৰ্গোৎসৱৰ অকালবোধন আৰু ভগৱতীৰ পূজা আদি অসংখ্য "মামুলি" কথা বহুতে সচা বুলি ধৰে। কিন্তু প্ৰচলিত বাল্মীকি ৰামায়ণত নথকা দুই এটা কথা মাধৱ কন্দলীৰ পদ-ৰামায়ণ আৰু ৰঘুনাথৰ কথা-ৰামায়ণ উভয়তে কেনেকৈ সোমাবলৈ পালে, তাকহে বিচাৰ কৰিব লগীয়া ; ঘাইকৈ মাধৱ কন্দলীয়ে মূলত নোহোৱা কোনো কথা লিখা নাই বুলি ডাঠি কৈছে যেতিয়া সেই সময়ত প্ৰচলিত বাল্মীকি ৰামায়ণৰ বিভিন্ন পাঠৰ কৰবাত সি নিশ্চয় অছিল। কৃত্তিবাসে বাল্মীকি ৰামায়ণ নপঢ়াকৈ তাত নথকা কথা লিখা বুলি নিজেই কৈছে—

"কৃত্তিবাস পণ্ডিত বিদিত সৰ্ব্বলোকে। পুৰাণ শুনিয়া গীত ৰচিলা কৌতুকে ॥
নাহিকে ইসৱ কথা বাল্মীকি বচনে। বিস্তাৰিত লিখিল অদ্ভুত ৰামায়ণে ॥"

মাধৱ কন্দলী আৰু ৰঘুনাথ উভয়তে থকা কিন্তু বৰ্ত্তমান প্ৰচলিত বাল্মীকি ৰামায়ণৰ পাঠত নথকা তেনে এটি কাহিনী অযোধ্যাকাণ্ডৰ ( ৩৫ অধ্যায় ) পৰা দিয়া হল—

"মৃগ হেতু লক্ষ্মণ চলিল আন ভিতি। শৃঙ্গাৰে থাকিলা ৰাম সীতায়ে সহিতি ॥
অনেক হৰিষ ভৈল ৰামৰ শৰীৰে। সীতাৰ উৰুত শিৰে শুইলা নদী-তীৰে ॥
লক্ষ্মণ গৈলন্ত যেৱে মৃগ মাৰিবাক। সীতাৰ সন্নিতে বৃক্ষডালে পৰি কাক ॥
সীতাৰ ৰূপক দেখি কাক ভৈল ভোল। এক ডেৱ কৰি গৈয়া চাপিলেক কোল ॥
ৰাঘৱৰ অতিশয় নিদ্ৰাক দেখিয়া। সীতাৰ তনত পৰিলেক ঝাম্প দিয়া ॥
তন মাঝে গোসানীক কৰিলেক ঘাৱ। ক্ৰোধিলন্ত সীতা মাৱ কম্পে হাত-পাৱ ॥
কোপে-শোকে সীতা দেৱী ক্ৰন্দন কৰিল। ৰামৰ শৰীৰ সৱে লোতকে তিতিল ॥
সীতাৰ আগত কাকে কেলি কৰে বৰে। থপা মুণ্ডি দিয়া বেগে তন মাঝে পৰে ॥

মাৰিবে নপাৰে সীতা কান্দিল বহুত । জাগিয়া দেখিলা ৰাম দশৰথ-সুত ॥
সীতাৰ তনৰ মাঝে বহয় ৰুধিৰ । ক্রোধিলন্ত ৰামে দেখি নসহে শৰীৰ ॥
নগণিয়া ৰামক সীতাক প্ৰহাৰয় । পুনু পুনু প্ৰহাৰিয়া তনত পৰয় ॥
ক্রোধিয়া বোলন্ত ৰাম লৈবোঁহো পৰাণ । মন্ত্র পঢ়ি মাৰিলেক ঈষিকৰ বাণ ॥
ইন্দ্ৰৰ তনয় কাক অতি বৰ খল । শৰে খেদি নেয় পলায় গগন মণ্ডল ॥"

১৯১০ ত হৰিশ্চন্দ্ৰ দেৱ গোস্বামী আৰু ধৰ্ম্মদত্ত লহকৰৰ দ্বাৰা প্ৰকাশিত "দেৱজিত" নামৰ এখন পুথি বেটুপাততত মাধৱ কন্দলী বিৰচিত বুলি ছপা হৈ ওলাইছিল। পুথিৰ মূল কথা হ'ল ইন্দ্ৰই এটা যজ্ঞ পাতি তালৈ ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰকো নিমন্ত্ৰণ কৰিলে ; কৃষ্ণক সেই যজ্ঞৰ প্ৰধান দেৱতা পাতি উপাসনা কৰিবলৈ নাৰদ মুনিয়ে পৰামৰ্শ দিলে ; ইন্দ্ৰই তাক নামানি কৃষ্ণক গালি শপিলে। ইয়াৰ ফলত ইন্দ্ৰৰ লগত অৰ্জুনৰ যুদ্ধ হ'ল, আৰু শেষত অৰ্জুনে দেৱতাৰ ওপৰত জয়-লাভ কৰিলে। এই কাহিনীকে লৈ কবিয়ে কৃষ্ণৰ নাম লবলৈ উপদেশ দিছে—"এতেকে নামক লোৱাঁ সৱে সাধুজন ।" ইত্যাদি।

এই কবিতাটিৰ ভাব-ভাষাৰ লগত শ্ৰীশঙ্কৰদেৱৰ "শুনিয়োক সৰ্ব্বজন কৃষ্ণৰ চৰিত্ৰ" বুলি আৰম্ভ হোৱা উপদেশৰ অকণো অমিল দেখিবলৈ পোৱা নহয় ; বাস্তৱতে সেই উপদেশৰ "নাহিকে চেতন কাল-অজগৰে গিলে। ধন-জন-জীৱন যাইব একতিলে ॥" ইয়াৰ "দেহা নতু নপৰন্তে কালে নতু গিলে। ধন-জন জীৱন যৌৱন একতিলে ॥" আদি আখৰে আখৰে মিলে কেনেকৈ ? তদুপৰি ৰামায়ণৰ দৰে ইয়াত ক'তো কবিৰ আত্ম-পৰিচয় যি নায়েই, ভণিতাত সদায় "মাধৱে ৰচিলা" বুলিহে আছে ; "অসমীয়া সাহিত্যৰ চানেকি"ত তুলি দিয়া শেষৰ ভণিতাত মাত্ৰ এঠাইত "মাধৱ কন্দলী ৰচিলন্ত ইটো পদ" বুলিছে। গতিকে ভাব-ভাষা সকলো ফালৰ পৰা "দেৱজিত" সম্পূৰ্ণ বৈষ্ণৱ গ্ৰন্থ আৰু ই ৰামায়ণ-ৰচয়িতা মাধৱ কন্দলীৰ ৰচনা নহয় বুলিয়ে প্ৰতীয়মান হয়। 'আকে জানি সভাসদ এৰি আন কাম। খণ্ডোক পাতক ডাকি বোলা ৰাম ৰাম ॥" আদি "বৈষ্ণৱ ভণিতাৰ "আঁচু ফুল" যে অৱশ্যে বৈষ্ণৱ যুগৰ, আগতে তাৰ প্ৰমাণ দি অহা হৈছে। কোনো চৰিত-পুথি আদিত নোপোৱাত ভণিতাৰ "মাধৱ" নামৰ পৰাই ইয়াক মাধৱদেৱৰ ৰচনা বোলাও দুঃসাহসৰ কথা হব, যদিও অৱশ্যে ই কোনোমতে মাধৱদেৱৰ নামৰ অযোগ্য পুথি নহলহেতেন।

---

# পুথি তিনি

## নব্‌-জন্ম যুগত ফুলি উঠা অসমীয়া সাহিত্য

আগকথা (ক) ঐতিহাসিক জৰিপ—এই যুগ ভাৰত ইতিহাসৰ লডি বংশৰ (১৪৫১-১৫২৬) উত্থান, আৰু আকবৰ (১৫৫৬-১৬০৫) আৰু শ্বাজাহান (১৬২৭-৫৮) প্ৰভৃতি শ্ৰেষ্ঠ মোগল সম্ৰাটসকলৰ ৰাজত্বৰ সমকক্ষ। অসম বুৰঞ্জীৰ এই যুগ ছুছেনফাৰ আমোলত (১৪৩৯-৮৮), আৰম্ভ হৈ ছুতাম্লাৰ আমোলত (১৬৪৮-৬৩) শেষ হয়; আৰু তাত খেন বংশৰ নীলাম্বৰ (১৪৫৫-৯৮), কোচ কৈদৰ নৰনাৰায়ণ (১৫৪০-৮৪) চুটিয়া ৰজা নীতিপাল (আঃ ১৫২৩) আৰু কছাৰী ৰজা ডেৎছোঙ্‌ (১৫৩১-৩৬) আৰু এবুৰি ছৰ্ত্তৰা বিখ্যাত ৰজাৰ উত্থান-পতন ঘটে। এই যুগৰ ভিতৰতে আকৌ দহ বাৰ মোগলে এই দেশ আক্ৰমণ কৰে আৰু দহ বাৰেই সেই আক্ৰমণবোৰ ব্যৰ্থ হয়; প্ৰথম চাৰিটা আক্ৰমণৰ কাল যথাক্ৰমে ১২০৬, ১২২৭, ১২৫৭ আৰু ১৩৫৭। পঞ্চম আক্ৰমণত মোগল সৈন্য হাৰি পলাই যাব লগা হোৱাত মোগল সেনাপতি হুছেন শ্বাহে মিতিৰালি পাতিবৰ ছলেৰে বিশ্বাস-ঘাতকতা কৰি ১৪৯৮ত চিৰপ্ৰসিদ্ধ কমতাপুৰৰ ৰাজধানী ধ্বংস্ব কৰে; তথাপি কামৰূপ ৰাজ্যৰ ভিতৰত মোগলৰ শাসন ১৫০২ৰ ইফালে নিটিকিল। ইউৰপীয় পুৰাণৰ ফীনিক্স্‌ চৰাইৰ দৰে কমতাপুৰৰ ধ্বংসাৱশেষৰ ওপৰতে বিশ্ব-সিংহৰ ৰাজত্বেৰে (১৫১৫-৪০) কোচবেহাৰ ৰাজধানীৰে কোচ ৰাজ্য গঢ়ি উঠিল; পিছে আকৌ এই যুগৰ ভিতৰতে প্ৰাণনাৰায়ণৰ ৰাজত্বৰ (১৬৩৩-৬৬) লগে লগে এই কোচ ৰাজ্যবো পতন ঘটে। ইহাতে, পূব ফালৰ পৰা পৰাক্ৰমী টাই আক্ৰমণকাৰীসকলে বৰাহী, মৰাণ, মতক, চুটিয়া, বাৰভূঞা আদিৰ সৰু সৰু ৰাজ্যবিলাক ক্ৰমে নানা বুদ্ধি-সন্ধিৰে এখন-এখনকৈ জয় কৰি নিজ ৰাজ্যৰ লগত জাপি দি এখন আহোম সাম্ৰাজ্য গঢ়ি আহিবলৈ ধৰিলে। এই যুগত বিপুল প্ৰাচীন কছাৰী ৰাজশক্তিৰ লগত আহোমৰ সংঘৰ্ষ হয়, আৰু তাৰ ফলত আহোমে কছাৰীক পোনতে দিখৌৰ আৰু তাৰ পাছত ধনসিৰিৰ পছিমলৈ ঠেলি নি শেষত কছাৰী ৰাজধানী ডিমাপুৰৰ পৰা মাইবঙলৈ তুলি নিবলৈ বাধ্য কৰে। এতিয়া

মোগলবিলাকে তেওঁলোকৰ ষষ্ঠ, সপ্তম আৰু অষ্টম আক্ৰমণত যথাক্ৰমে ১৫২৭, ১৫৩১ আৰু ১৫৮৭ত জয়ে জয়ে এই আহোম সাম্ৰাজ্যবাদীবিলাকৰ লগত তেওঁলোকৰ চুহুংমুং বা দিহিঙীয়া ৰজাৰ (১৪৯৭-১৫৩৯) দিনত ভেটা-ভেটি হয়। ১৫২৭ ৰ আক্ৰমণত মোগল-সেনাপতি বিত্‌ মালিকক খাগৰিজানত (বৰ্ত্তমান নগাঁও) হত্যা কৰা হয়, আৰু পলৰীয়া মুছলমান সেনাৰ পৰা ঘোঁৰা বৰটোপ আৰু হিলৈ অসংখ্য পৰিমাণে কাঢ়ি লোৱা হয়। ১৫৩২ৰ এপ্ৰিলত মোগল সেনাপতি তুৰ্বক হুছেনক বধ কৰা হয় আৰু প্ৰায় এক হাজাৰ হাতী আৰু ঘোৰা, অলেখ হিলৈ আৰু বৰটোপ, ধন-সোণ আৰু আন বহুমূলীয়া বস্তু-বাহানি এৰি মুছলমান সৈন্যবিলাক পলাই যায় আৰু জয়ে জয়ে এই যুদ্ধতে আহোম সৈন্যই খাৰ-বাৰুদ চলায় বুলি কয়। টেৱাৰ্ণিয়াৰৰ মতে, এই আহোমবিলাকেই পোনতে খাৰ-বাৰুদ উলিয়ায়; পাছত অসমৰ পৰা এই খাৰ-বাৰুদ পেগুলৈ আৰু পেগুৰ পৰা চীন দেশলৈ যায়; এইবাবেই বহুতে খাৰ-বাৰুদৰ চীনাই উলিওৱা বুলি ভুল কৰে। মীৰজুমলাই অসম আক্ৰমণ কৰোঁতে যে অসমত তৈয়াৰি বহুত হিলৈ বৰটোপ আৰু খাৰ-বাৰুদ গোটাই লৈ গৈছিল, তাত কোনো ভুল নাই; আৰু সেই খাৰ-বাৰুদবোৰ ইংলণ্ডত তৈয়াৰি কৰাৰ নিচিনা ধুৰণীয়া আৰু উত্তম। নৱমৰ পৰা চতুৰ্দ্দশলৈ মোগল আক্ৰমণ যথাক্ৰমে ১৫৬৮, ১৬১৫, ১৬১৭, ১৬৩৫ (দুবাৰ), আৰু ১৬৩৭ ত হয় আৰু আক্ৰমণকাৰী মুছলমান সৈন্য ঘাটি খাই পলাই যায়। মোগল আক্ৰমণৰ উপৰিও আহোমবিলাক ছলে-বলে জয় কৰা কছাৰী-বিলাকৰ লগত গৃহযুদ্ধ, আৰু মল্লদেৱ বা নৰনাৰায়ণ (১৫৪০-৮৪) আৰু তেওঁৰ ৰাজভ্ৰাতৃ আৰু সেনাপতি শুক্লধ্বজ বা চিলাৰায়ৰ নেতৃত্বত গঢ়ি উঠা নৱোদিত কোচ ৰাজশক্তিৰ সৈতে সংঘৰ্ষ হয়। মোগলৰ লগত কোচ আৰু আহোমৰ মুকীয়াকৈ লগা যুদ্ধৰ ফলত গৃহ-কন্দল আদিৰ বাবে দুৰ্ব্বল হৈ পৰা কোচ ৰাজশক্তিয়ে প্ৰাণনাৰায়ণ ৰজাৰ দিনত (৬৩৩-৬৬) মোগলৰ ওচৰত আত্মসমৰ্পণ কৰে, আৰু আহোম ৰজাই ১৬৩৮ত অস্থায়ীভাৱে সন্ধি কৰে; মুছলমান বুৰঞ্জীৰ দ্বাৰা এইবিলাক ঘটনা সম্পূৰ্ণ সমৰ্থিত হয়।

**(খ) সামাজিক পৰিস্থিতি :**—পুৰণি অসমত যথাক্ৰমে দশম আৰু পঞ্চদশ শতিকা মানত ৰচিত বোলা ভাৰত-প্ৰসিদ্ধ সংস্কৃত গ্ৰন্থ কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰই অন্ধকাৰময় প্ৰাচীন অসমীয়া সমাজৰ সৰহখিনিত ফটফটীয়া পোহৰ পেলায়। বাহিৰে দেখাত ৰাজনৈতিক ফালৰ দৰেই সমাজ-নৈতিক ফালেও ই

এক বুজ-বাগৰৰ কাল ; আহোমবিলাকৰ ধৰ্ম আদিতে কি আছিল কোৱা টান হলেও তেওঁলোকৰ পূৰ্ববৰ্তী বাৰভূঞা আৰু চুটিয়াবিলাক যে বিভিন্ন শাক্ত ধৰ্মাৱলম্বী আছিল তাত সন্দেহ নাই। সদিয়াৰ কেচাইখাতী তাম্ৰেশ্বৰী মন্দিৰ বুকাননে স্বৰূপভাৱেই 'পূবৰ কামাখ্যা মন্দিৰ' বুলিছে, যিহেতুকে কামাখ্যাত আৰ্য্য গঢ়ত আৰু তাম্ৰেশ্বৰীত অনাৰ্য্য গঢ়ত একে শক্তি-পূজাই চলিছিল ; চুটিয়া ৰাজ্যৰ পতনৰ পাছতো আহোমৰ আমোলত দেউৰীবিলাকে কামাখ্যাত চলা দৰেই দুৰ্ঘোৰ নৰ-বলি চলাইছিল। কামাখ্যাৰ নৰবলি সম্পৰ্কত আইন্-ই-আকবৰি আদি মুছলমান বুৰঞ্জীলেখকে লিখাৰ দৰেই তাম্ৰেশ্বৰীৰ বলিবিলাকো ভোগী নামে অভিহিত হৈ যাইকৈ তিকতাৰ সম্পৰ্কত যি ব্যভিচাৰ কৰিব পাৰিছিল তাৰ পৰা সমসাময়িক অসমীয়া সমাজৰ দুৰ্ঘোৰ বিশৃঙ্খল অৱস্থাৰ অনুমান কৰিব পাৰি। এই কালত আৰ্য্য আৰু অনাৰ্য্য ধৰ্মৰ খিচিৰিৰ পাতন আৰু নৱগঠন কি দৰে সম্পন্ন হৈছিল তাৰো প্ৰকৃষ্ট প্ৰমাণ এই কালিকা-পুৰাণ আৰু যোগিনী-তন্ত্ৰ গ্ৰন্থ দুখনিয়েই। মদ্য, মাংস আৰু স্ত্ৰী সম্ভোগ আৰু নৰ-বলিৰ বিধান কালিকা পুৰাণত স্পষ্টভাৱে বৰ্ণাইছে ; ষোড়শীৰ বিভিন্ন অঙ্গৰ ৰূপ-ধ্যানৰ বিধান আৰু মদ্যমাংস আৰু স্ত্ৰী-সম্ভোগৰ সমৰ্থন যোগিনীতন্ত্ৰত বিশদভাৱে দিয়া হৈছে। এই যোগিনী-তন্ত্ৰতে উপভোগৰ বাবে কেনে মদ্য আৰু স্ত্ৰী উপযুক্ত তাক বৰ্ণাইছে ; আৰু "মাতৃযোনিম্ পৰিত্যজ্য মৈথুনম্ সৰ্বযোনীষু", "দ্বাদশবৰ্ষাধিকযোনিৰ্যাবৎ ষষ্ঠিঃ প্ৰজায়তে। তাবত্তু মৈথুনম্ তস্মাৎ স্বয়ম্ভুৰ" বুলিছে। হীনযান, মহাযান, বজ্ৰযান, বৌদ্ধ তান্ত্ৰিক আদি বিভিন্ন পৰবৰ্তী বৌদ্ধ সম্প্ৰদায়েও ধৰ্মৰ নামত এনে অধৰ্মৰ ইন্ধন যোগাইছিল বুলি বৈষ্ণৱ-চৰিতবোৰৰ পৰা বুজিব পাৰি ; জলসাই থলসাই আদি নানা আদিম পূজা-পদ্ধতিৰ উপৰিও কছাৰীবিলাকে ব্ৰা-ব্ৰী-পূজা কৰিছিল। অতিশয় উত্তাপৰ ছাটি-ফুটিয়েও আৰু অত্যন্ত খৰাং বতৰৰ ধুলি-মাকতিয়েও যেনেকৈ এছাটি জুৰ বতাহ আৰু এজাকি শান্তিময় বৃষ্টিৰ সঙ্কেত দিয়ে, ধৰ্মৰ নামত অধৰ্মৰ এই তাণ্ডৱ নৃত্য বা প্ৰলয়-নাচোনো নতুন সৃষ্টিৰে আগ-জাননী বুলি বুজিব পাৰি ; গতিকে অতি স্বাভাৱিক ৰূপেই এই সময়ত বহু-দেৱদেৱীৰ ঠাইত "এক-দেৱ এক-সেৱ", বহু-পূজা-পাতলৰ কপটতা আৰু আড়ম্বৰৰ ঠাইত চিত্ত-শুদ্ধিদায়ক সহজ সৰল ভক্তিৰে নাম-ধৰ্ম শ্ৰীশঙ্কৰদেৱে যেতিয়া প্ৰচাৰ কৰিলে তাকো সেইদৰেই জন-গণে আদৰেৰে যে গ্ৰহণ কৰিব ইয়াকো সহজে আশা কৰিব পাৰি ; কিন্তু ইয়াতেও ঠিক সমানেই তেনেকৈয়ে

স্বাৰ্থ-জড়িত সুবিধা-প্ৰাপ্তসকলে তাৰ বিৰুদ্ধে যে প্ৰতিক্ৰিয়া কৰিবই তাতো বিস্ময় মানিবলৈ একো নাই। এতেকে আমি দেখা পাওঁ ৰাজনৈতিক ক্ষেত্ৰত বাহিৰৰ নানা যুদ্ধ-বাগৰ চলি থকা অৱস্থাৰ ভিতৰতে যেনেকৈ এই যুগতে বিপুল আহোম ৰাজশক্তি গঢ়ি উঠিল, সমাজ-নৈতিক ক্ষেত্ৰতো বিভিন্ন ধৰ্মৰ এনে তয়া-ময়া ৰণ চলি থকাৰ মাজতেই বিৰাট বৈষ্ণৱ ধৰ্মই আধিপত্য লাভ কৰি ৰহিল।

(গ) **জ্ঞানৰ নৱজন্ম** ঃ—অসমৰ এই বৈষ্ণৱ যুগ ইফালেও ইংৰাজী সাহিত্যৰ ৰেনেছেঞ্চ (১৪০০-১৫৫০), এলিজাবেথীয় (১৫৫০-১৬২০) আৰু পিউৰিটান (১৬২০-১৬৬০) এই তিনি যুগৰ সমকক্ষ। আনন্দৰ বিষয়, এই বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যই ইংৰাজী সাহিত্যৰ সেই তিনিও যুগৰ যাই গুণ আৰু লক্ষণ-বিলাক সামৰি লৈছে। পোনতে, ইংলণ্ডৰ ৰেনেছেঞ্চ যুগৰ দৰেই অসমতো এই বৈষ্ণৱ যুগ পৰিবৰ্ত্তনৰ আগ্নেয়-গিৰিৰ যুগ বুলিব পাৰি ; কিয়নো লেবাৰটাইনে কৱৰ দৰে, 'এই যুগতে মানুহে চকু মেলিলে আৰু দেখিলে, নিজক আৰু বিশ্বক বিচাৰি পালে। এই যুগতে নৈষ্ঠিকতা আৰু অধিকাৰিতাৰ মূৰত ৰাম-টাঙোন পৰিল, কিন্তু এতিয়া অকল সত্যাই হে নৈষ্ঠিক আৰু অধিকাৰ-সম্পন্ন বুলি গণ্য হল। মানুহ চকু থাই উঠিল, কিয়নো তেওঁলোকৰ অন্তৰ-চকুৰ আগত এক অভিনৱ মানসিক জগতৰ নতুন চক্ৰবাল ৰেখা জিলিকি উঠিল।' দ্বিতীয়ত, গৰিমাময় এলিজাবেথীয় যুগৰ ইংৰাজী সাহিত্যৰ দৰেই বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যতো এয়ে প্ৰবল জাতীয় চৈতন্য, দেশ-প্ৰেম, ধৰ্ম-ভাৱ, সমাজ-শান্তি, মানসিক উন্নতি আৰু অপৰিসীম উদ্দীপনাপূৰ্ণ এক মহৎ চিন্তা আৰু এক মহৎ কাৰ্য্যৰ যুগ। আকৌ এলিজাবেথীয় যুগৰ দৰেই এই বৈষ্ণৱ যুগ যাইকৈ কবিতাৰ যুগ, আৰু ইংলণ্ডৰ শ্বেক্সপীয়েৰতকৈ অনেক অধিকৰূপে বহুমুখী আৰু শ্ৰেষ্ঠ প্ৰতিভাৰ শঙ্কৰদেৱক পিতৃৰূপে লৈ অসমীয়া নাটক, অসমীয়া গদ্য আদিয়ে অতিবিক্ৰমৰূপে গঢ় লৈ উঠিছিল। তৃতীয়ত, সেই যুগৰ ইংলণ্ডৰ পিউৰিটান আন্দোলনৰ দৰেই অসমৰ এই বৈষ্ণৱ আন্দোলনৰ যুগতে মানসিক জাগৰণৰ পাছত নৈতিক জাগৃতি বা অসমীয়া জাতিৰ ওপৰে বৈ যোৱা নীতি-সংস্কাৰৰ অভূতপূৰ্ব আন্দোলন। বৈষ্ণৱ আন্দোলনৰ মহৎ সংস্কাৰ সাধন কৰিবলৈ আগৰ বাহিৰে-বংচং ভিতৰি-কোৱাভাতুৰীৰ নিচিনা আড়ম্বৰপূৰ্ণ ধৰ্ম-প্ৰণালী একৰাই আত্ম-শুদ্ধি আৰু চৰিত্ৰ-শোধন-মূলক

মুকলি-হিয়াৰ মুকলি-দুৱাৰৰ নাম-ধৰ্ম্ম উলিয়াই, বহু-দেৱ-দেৱীৰ বহু-মুখী সেৱাৰ ঠাইত এই যি একদেৱ-একসেৱ নীতি প্ৰবৰ্ত্তন কৰিলে অন্ততঃ অসমৰ বুৰঞ্জীত আগে-পিছে তাৰ তুলনা নাই। এলিজাবেথীয় যুগৰ ইংৰাজী সাহিত্যৰ তুলনাতো অসমৰ এই বৈষ্ণৱ সাহিত্য অসামান্যভাৱে ব্যাপক হলেও এলিজাবেথীয় সাহিত্যতকৈ ইয়াৰ প্ৰাণ-বস্তুৰ ঐক্য অধিক বুলিব পাৰি; আৰু গঢ়ত প্ৰাচীন হলেও অসমীয়া বৈষ্ণৱ সাহিত্য এলিজাবেথীয় সাহিত্যৰ দৰেই যৌৱন, আশা আৰু বীৰ্য্যময় বুলি নৱন্যাস সাহিত্যৰ দৰে স্পন্দনপূৰ্ণ আছিল। শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱৰ লগে লগেই যেন কিবা ঐন্দ্ৰজালিক প্ৰভাৱত সেই আন্ধাৰ আৰু বেমেজালিৰ নিশা পলাই ফাঁট মাৰিলে, পোহৰ আৰু আশাৰ সোণালী পুৱাই ভুমুকি মাৰিলে। এলিজাবেথৰ ৰাজত্বৰ ইংলণ্ডৰ বিষয়ে মিল্টনে কৈছিল, 'শক্তিধৰ মানুহ এটা টোপনিৰ পৰা উঠাৰ দৰে গৰীয়সী শক্তিৰূপ ইংৰাজ জাতিয়ে সাৰ পাই উঠি সামাজিক বন্ধনৰ শিকলি ছিঙি মোহাৰি পেলালে।' বৈষ্ণৱ যুগৰ অসমীয়া জাতিৰ বিষয়েও সেই কথা ততোধিক ৰূপে খাটে আৰু প্ৰতি অসমীয়াই যেন প্ৰকৃততে অনুভৱ কৰিলে—"ভিদ্যতে হৃদয়গ্ৰন্থিঃ ছিদ্যন্তে সৰ্বসংশয়াঃ।" আকৌ এলিজাবেথৰ ইংলণ্ডৰ সামাজিক-ৰাজনৈতিক আদি বাহ্যিক জয়জয়-ময়ময় অৱস্থাৰ লগত বৈষ্ণৱ যুগৰ সামাজিক-ৰাজনৈতিক আদি জয়জয়-ময়ময় অৱস্থাৰ তুলনা কৰিব পাৰি; কিন্তু বৈষ্ণৱ ধৰ্মৰ নিচিনা সম্পূৰ্ণ আধ্যাত্মিক আন্দোলনৰ লগত সেই বৈষয়িক উন্নতিৰ যোগসূত্ৰ কি থাকিব পাৰে সি ভাবিব লগা বিষয়, কিয়নো ইছ্‌লামৰ দৰে এই ধৰ্মৰ লগত বৈষয়িক সম্বন্ধ থকাতকৈ বৈষয়িক উন্নতিৰ বিৰুদ্ধেহে ই প্ৰকাশ্যে আগবাঢ়িছিল। বৈষ্ণৱ অসমৰ সেই অৱস্থাৰ লগত অকল বৌদ্ধ ভাৰতৰহে ৰিজনি হব পাৰে; বৌদ্ধ ধৰ্ম কোনো বৈষয়িক উন্নতিৰ লগত সংশ্লিষ্ট ধৰ্ম নাছিল নিশ্চয়, কিন্তু যেনেকৈয়ে হওক বৌদ্ধ ধৰ্ম প্ৰচাৰৰ লগে লগে অশোক আদি ৰজাৰ কালতো ভাৰতবৰ্ষৰ জয়জয়-ময়ময় অৱস্থা হৈ পৰিছিল। অশোক আদি ৰজাই বৌদ্ধ ধৰ্মৰ প্ৰচাৰৰ বাবে যি কৰিছিল তাৰ ভালেমান শতিকাৰ পাছত খৃষ্টীয় পঞ্চম ষষ্ঠ শতিকা আদিত গুপ্ত ৰজাসকলেও বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে তাকেই কৰিছিল; আৰু সেই গুপ্ত যুগ অৱশ্যে ভাৰতবৰ্ষৰ এক সোণালী যুগ। এই দুই উদাহৰণৰ পৰা ইয়াকে বুজিব পাৰি, যি হৃদয়-দুৰ্বলতা আৰু অনীতি-অধৰ্মৰ কেৰোণে ব্যক্তিৰ দৰে জাতিক খুলি খুলি খায় কোনো শ্ৰেষ্ঠ

ধৰ্মৰ আধ্যাত্মিক আন্দোলনে সেই দুৰ্বলতা আৰু কেৰোণ গুচাই ব্যক্তিৰ দৰে জাতিকো সুস্থ অৱস্থালৈ আনে; তদুপৰি সেই দুই দোষৰ লগত জড়িত হীনতা-নীচতা আদিৰ যি ছাই-মাকতিয়ে আত্মাৰ সেই ফিৰিঙতি ঢাকি থয় তাক এইদৰে গুচাই দিয়া মাত্ৰই তাৰ সেই পৱিত্ৰ অম্লান জ্যোতিয়ে সকলো আন্ধাৰ দূৰ কৰে। জড়তা আৰু বন্ধনৰ পৰা মুক্ত এনে আত্মাই কি আধ্যাত্মিক, কি বৈষয়িক, সকলো ক্ষেত্ৰতে অসাধ্য সাধন কৰিব পাৰে; আৰু তাৰ ফলতেই বৈষয়িক কোনো লক্ষ্য নোহোৱাকৈও অসমৰ বৈষ্ণৱ আন্দোলনে অসমীয়া জাতিৰ বৈষয়িক উন্নতিতো অতুলনীয় বৰঙণি যোগাব পাৰিছিল। ইয়াৰ অন্যতম জলজল-পটপট উদাহৰণ পোৱা হয় উত্তৰ-বৈষ্ণৱ যুগৰ অনুপম মায়ামৰা আন্দোলনত; আহোমৰ দৰে সেই কালৰ এটি প্ৰবল প্ৰতাপী ৰাজশক্তিক এমুঠি নিৰস্ত্ৰ নিৰামিষী মায়ামৰা প্ৰজাই কিদৰে থৰ-হৰি কম্পমান কৰিছিল। শত শত বৰ্ষৰ সুপ্ৰতিষ্ঠিত আহোম ৰাজসিংহাসন বলেৰে কাঢ়ি লৈ ভালেমান বছৰ নিজে চলোৱা কথাৰ পৰাই উলঙ্গ আত্মা আনৱিক বোমাতকৈও কেনে শক্তিধৰ তাক অনুমান কৰিব পাৰি।

## বৈষয়িক সাহিত্য—গণিত-জ্যোতিষ-ব্যাকৰণ

ইংলণ্ডত যেনেকৈ যি এলিজাবেথীয় যুগে সাহিত্যত শেক্সপীয়েৰৰ জন্ম দিছিল, সেই এলিজাবেথীয় যুগেই আকৌ ধৰ্মত হুকাৰ আৰু বিজ্ঞানত বেকনৰ জন্ম দিছিল; অসমতো ঠিক তেনেকৈয়ে যি বৈষ্ণৱ আন্দোলনত শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী আদিৰ আবিৰ্ভাৱ হৈছিল, সেই বৈষ্ণৱ আন্দোলনৰ লগতেই গণিতত বকুল কায়স্থ আৰু কবিৰত্ন, জ্যোতিষত চূড়ামণি, আৰু ব্যাকৰণত পুৰুষোত্তম ঠাকুৰ বিদ্যাবাগীশ আদিয়েও দেখা দিয়ে। ওপৰে ওপৰে চালে এনে কথা আচৰিত যেন লাগিলেও, ইয়াত বিস্ময়ৰ কাৰণ নাই; কিয়নো আগতে উল্লেখ কৰাই আছোঁ যে জড়তা বন্ধনৰ পৰা মুক্ত হোৱা এটা জাতিৰ বাবে উন্নতিৰ সকলো পথেই মুকলি হয়। ১৭৯৮ত ৰচিত সূৰ্য্যখৰি দৈৱজ্ঞৰ "দৰং-ৰাজবংশাৱলী"ত এইসকলৰ বিষয়ে লিখিছে (৫৫৬-৬১১ পদ)—

"শুনিয়োক সভাসদ ৰাজাৰ চৰিত্ৰ। নৰনাৰায়ণ ৰজা পৰম পৱিত্ৰ ॥৫৫৬
কলি যুগে মনুষ্য সবাৰ চিন্তি হিত। শাস্ত্ৰ সমস্তৰ গ্ৰন্থ কৰাইলা বিদিত ॥
ব্যাকৰ্ণৰ গ্ৰন্থ ৰত্ন-মালা কৰাইলন্ত। যতেক কৰাইলা পদ নাহি আদি-অন্ত ॥

গোড় কামৰূপে যত পণ্ডিত আছিলা। সমস্তকে আনি সত্ৰ-দেৱান পাতিলা ॥৬০৪
শুনিয়ো পুৰুষোত্তম ভট্টাচাৰ্য্য দ্বিজ। কৰিয়োক বত্ন-মালা ব্যাকৰ্ণৰ বীজ ॥৬০৫
বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী। অল্পতে বুজয় যেন কায়স্থে সম্প্ৰতি ॥৬০৯
পণ্ডিত সৱক পাচে কৰিলা সম্মান। ধন বত্ন বস্ত্ৰ-অলঙ্কাৰ দিলা দান ॥৬১১"

**বকুল কায়স্থ** বহুতৰ মতে শ্ৰীশঙ্কৰদেৱৰ পূৰ্ববৰ্তী ; দেবেন্দ্ৰনাথ বেজবৰুৱাৰ মতে এওঁৰ "কিতাবত মঞ্জৰী" পুথি ১৫০৮ত লিখা। কিন্তু "দৰং-ৰাজবংশাৱলী"ৰ মতে ই ১৫৪০ৰ আগৰ হব নোৱাৰে, কিয়নো সেই বছৰতহে নৰনাৰায়ণ ৰাজপাটত উঠে। আত্ম-পৰিচয়ত বকুল কায়স্থই লিখিছে—

"কিতাবত শাস্ত্ৰখন পৰম গহন। আক আৰম্ভিলোঁ আমি হুয়া মূঢ়জন ॥
দোষ নিদি ক্ষমা কৰা মুৰ্খ হেন জানি। বকুল বৰ্ণালা শিৱ বন্দিয়া ভৱানী ॥"

ইয়াৰ পৰা লেখক শৈৱ বা শাক্ত আছিল বুলি বুজিব পাৰি। পুথিখন লীলাৱতী গণিতৰ পদ-ভাঙনি আৰু বিষয় অনুসাৰে তিনি ভাগত বিভক্ত। ৰচনাৰ চানেকি—

"গোমুত্ৰে সমভুমি দেখি-এ যাক। ভেঙ্গুৰ ভেঙ্গুনা দিবা তাক ॥
দীৰ্ঘ অঙ্কক লক্ষে পুৰি। ভেঙ্গুৰ প্ৰমাণি লম্বিতে হৰি ॥
চতুৰ্থ বয়ন সৈতে হৰিবা ভাগ। পুটক অঙ্কক পাইবা লাগ ॥"

**কবিবত্ন** আন এজন লীলাৱতী ভাঙোতা ; এওঁৰ ঘাই নাম পোৱা হোৱা নাই। অসমৰ মজিন্দাৰ বংশৰ এজন দুৰ্গাৰাম কায়স্থই প্ৰাচীন ভাৰতৰ অঙ্কশাস্ত্ৰ-বিশাৰদা লীলাৱতীৰ মূল সংস্কৃত পুথি ১৪৬৮ খৃঃ মানত অসমলৈ আনে বুলি জনা হয়। কবিৰত্নৰ ভাঙনিৰ গদ্যৰ আৰ্হি এনে—"প্ৰথমে প্ৰথমে অঙ্কৰ নৱবিধ প্ৰক্ৰিয়া ; যথা পূৰণ, হৰণ, ছেদন, যোজন, ঘনকৰণ, ঘনমূলকৰণ, বৰ্গকৰণ, বৰ্গমূলকৰণ, সঙ্কলিত কৰণ, এই নৱবিধ। পূৰ্ব চাৰি প্ৰায় লোকে সংক্ষেপে জানে ; আন পঞ্চবিধক জনাটো বিৰলহে প্ৰায়। এখণ পূৰণ-কৰণ কাক বোলে তাক কহি। যিহেৰে পূৰিব সেই প্ৰমাণেৰে পূৰ্য্য অঙ্কক বঢ়োৱাৰ নাম পূৰণ।"

**চূড়ামণি** বুলি আৰু এজন লেখকৰ "জ্যোতিষ চূড়ামণি" বোলা পদ-পুথিত জ্যোতিষৰ বাহিৰেও লীলাৱতীৰ গণিতৰ বিষয়ৰ কথা আছে, যেনে,—

"চাৰি শত দিয়া তাৰ হৰিবাহা ভাগ। যত পুৰা মাটি লাগে তত পাইবা লাগ ॥
পুৰা নহয় যদি ষোড়শে মুপূৰিবা। যদি পুৰা হয় ষোড়শে পূৰিবা ॥